# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 19-April-2026

**Time :** 1800 HRS

***Assamese Evening Bulletin***

——————————————————

## HEADLINES

::::::::::::::::::

১। লোকপিয়ল-২০২৭ৰ অধীনত ৰাজ্যত অহা ২ আগষ্টৰ পৰা জনগণনা আৰম্ভ।

২। জাতীয় উৎসৱ ৰঙালী বিহুৰ ষষ্ঠ দিনত ৰাজ্যজুৰি চেনেহী বিহু পালন।

৩। চিৰাং জিলাৰ হিংসাত্মক কাৰ্যত লিপ্ত থকাৰ অভিযোগত আৰু ছজন লোকক গ্ৰেপ্তাৰ।

**আৰু**

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত ৰাজস্থান ৰয়েলছৰ, কলকাতা নাইট ৰাইডাৰ্ছক জয়ৰ বাবে ১৫৬ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

ooooo

বিশ্বৰ সৰ্ববৃহৎ জনগণনা প্ৰক্ৰিয়া লোকপিয়ল-২০২৭ৰ অধীনত ৰাজ্যত এই প্ৰক্ৰিয়া অহা ২ আগষ্টৰ পৰা আৰম্ভ হ'ব। ১৭ আগষ্টৰ পৰা গণনাকাৰী বিষয়াসকলে ঘৰে ঘৰে জনগণনা কৰিব। এই প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰ পৰ্যন্ত চলিব। এই প্ৰক্ৰিয়াত ৮৫ হাজাৰ গণনাকাৰী বিষয়া নিয়োগ কৰা হৈছে। বিষয়াসকলক জুন মাহৰ পৰা লোকপিয়লৰ প্ৰশিক্ষণ দিয়া হ'ব। ৰাজ্যিক লোকপিয়ল সঞ্চালক বিশ্বজিৎ পেগুৱে আজি এই বিষয়ে জানিবলৈ দিয়ে। উল্লেখযোগ্য যে দেশৰ অন্যান্য ঠাইসমূহত ইতিমধ্যে যোৱা এক এপ্ৰিলৰ পৰা লোকপিয়ল আৰম্ভ হৈছে। অসম, তামিলনাডু, পশ্চিমবংগ, কেৰলম আৰু পুডুচেৰীত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত এই প্ৰক্ৰিয়া পলমকৈ আৰম্ভ হ'ব।

দেশৰ যোড়শ আৰু স্বাধীনোত্তৰ ভাৰতৰ অষ্টম লোকপিয়লত সামাজিক অৱস্থা আৰু জাতিগত গণনাকে ধৰি জনসংখ্যা আৰু গৃহ পিয়ল অন্তৰ্ভুক্ত হ'ব। ২০২৭ চনৰ ফেব্ৰুৱাৰী পৰ্যন্ত চলিবলগীয়া এই লোকপিয়ল দুটা পৰ্যায়ত হ'ব। প্ৰথম পৰ্যায়ত ঘৰৰ তালিকা প্ৰস্তুত কৰা হ'ব আৰু দ্বিতীয় পৰ্যায়ত জনসংখ্যাৰ গণনা কৰা হ'ব। ইয়াৰ বাবে অহা বছৰৰ পহিলা এপ্ৰিলক ভিত্তি তাৰিখ হিচাপে নিৰ্ধাৰণ কৰা হৈছে। দেশত এইবাৰ প্ৰথমবাৰৰ বাবে সম্পূৰ্ণ ডিজিটেল প্ৰক্ৰিয়াৰে লোকপিয়ল হৈছে। এই প্ৰক্ৰিয়াত এণ্ড্ৰইদ আৰু আই অ' এছত উপলভ্য মোবাইল এপৰ জৰিয়তে তথ্যসমূহ সংগ্ৰহ কৰা হৈছে। এইবাৰৰ লোকপিয়লত স্ব-গণনাৰো বিকল্পৰ ব্যৱস্থা কৰা হৈছে। ঘৰৰ গণনাৰ সময়ত সকলো ভৱন আৰু পৰিকাঠামোৰ তালিকাৰ প্ৰস্তুত কৰা হ'ব আৰু বাসগৃহৰ স্থিতি, সা-সুবিধা তথা সম্পদৰ তথ্য সংগ্ৰহ কৰা হ'ব। বাসগৃহসমূহৰ জিঅ' টেগিং কৰা হ'ব আৰু প্ৰতিটো ঘৰক অনন্য

পৰিচয়সূচক নম্বৰ প্ৰদান কৰা হ'ব। এই সমগ্ৰ প্ৰক্ৰিয়াটোত ৩০ লাখৰো অধিক গণনা কৰ্মী, পৰ্যবেক্ষক আৰু অন্য বিষয়া নিযোগ কৰা হৈছে। জনসাধাৰণে ১৬টা ভাষাত তথ্য দিব পাৰিব। লোকপিয়লৰ দ্বিতীয় পৰ্যায় অহা বছৰ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। এই পৰ্যায়ত বয়স, লিংগ, বৃত্তি, সাক্ষৰতা আৰু জাতিগত সবিশেষকে ধৰি ব্যক্তিগত তথ্য আহৰণ কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰে লোকপিয়ল-২০২৭ৰ বাবে ১১ হাজাৰ ৭১৮ কোটিৰো অধিক টকাত অনুমোদন দিছে।

০০০০০

ভাৰতৰ নিৰ্বাচন আয়োগে সামাজিক মাধ্যম আৰু ডিজিটেল মঞ্চসমূহৰ ব্যৱহাৰৰ ক্ষেত্ৰত নিৰ্বাচন আয়োগৰ আওতাত পৰা সকলোকে দায়িত্বশীল হ'বলৈ পুনৰবাৰ আহ্বান জনায়। আয়োগে এই ক্ষেত্ৰত ২০০০ চনৰ তথ্য প্ৰযুক্তি আইন আৰু ২০২১ চনৰ তথ্য প্ৰযুক্তি অধিনিয়ম তথা আৰ্হি আচৰণ বিধিৰ অন্তৰ্ভুক্ত বিধিগত নীতি-নিয়মসমূহ মানি চলিবলৈ সকলোকে নিৰ্দেশ দিয়ে। আয়োগে আজি এখন প্ৰেছ বিজ্ঞপ্তি যোগে যিকোনো বিভ্ৰান্তিকৰ বিষয় আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে সৃষ্টি কৰা ছবি অথবা দৃশ্য শ্ৰাব্য বিষয়বস্তুৰ ক্ষেত্ৰত সামাজিক মাধ্যমসমূহত অভিযোগৰ তিনি ঘণ্টাৰ ভিতৰত  ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। আয়োগে ৰাজনৈতিক দলসমূহ আৰু প্ৰাৰ্থী বা প্ৰচাৰ প্ৰতিনিধিক কৃত্ৰিম বুদ্ধিমত্তাৰে সৃষ্টি কৰা প্ৰচাৰ সামগ্ৰীৰ ক্ষেত্ৰত সেয়া কৃত্ৰিম বা ডিজিটেলি উন্নত কৰা হৈছে বুলি সুস্পষ্ট কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি অসম, কেৰলম, তামিলনাডু, পুডুচেৰী আৰু পশ্চিমবংগত চলি থকা বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত সামাজিক মাধ্যমত নিৰ্বাচনী আঁচৰণ বিধি ভংগ হোৱা যিকোনো কাৰ্যকে নিৰীক্ষণ কৰা হৈছে বুলিও নিৰ্বাচন আয়োগৰ তৰফৰ পৰা জানিবলৈ দিয়া হৈছে। এই ক্ষেত্ৰত চি ভিজিল এপৰ জৰিয়তে সাধাৰণ নাগৰিকক এনে যিকোনো আচৰণ বিধি ভংগৰ ঘটনাকে আয়োগৰ দৃষ্টি গোচৰ কৰিবলৈ আহ্বান জনোৱা হৈছে।

০০০০০

সাদিনীয়া ৰঙালী বিহুৰ আজি ষষ্ঠ দিনটো ৰাজ্যত চেনেহী বিহু বা জীয়ৰী বিহু হিচাপে পালন কৰা হৈছে। এই দিনটোত বিবাহিতা জীয়াৰীসকল মাতৃ গৃহলৈ যোৱাৰ পৰম্পৰা আছে। সেয়েহে এই বিহুক জীয়ৰী বা চেনেহী বিহু বুলি কোৱা হয়। অসমীয়া সংস্কৃতিত সাতবিহুৰ অন্যতম এই চেনেহী বিহুৰ বিশেষ গুৰুত্ব আছে।

ৰঙালী বিহুৰ সমান্তৰালভাৱে ৰাজ্যৰ বিভিন্ন জাতি-জনগোষ্ঠীসমূহৰ পাৰম্পৰিক বসন্ত উৎসৱসমূহো উলহ-মালহেৰে   পালন কৰা হৈছে। শৰণীয়া কছাৰীসকলৰ বাঁহ গোঁসাই উৎসৱো তামুলপুৰৰ বৰনগৰত থকা ৰাজহুৱা খেলপথাৰত আজিৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হৈছে। সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ উদ্যোগত আয়োজিত এই অনুষ্ঠান সন্দৰ্ভত শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ বিষয়ববীয়াই এইদৰে কয়-

(বাইট)

ইফালে ৰঙালীৰ লগতে ৰংজালী বৈচাগুৰ উচাহেও তামুলপুৰ জিলাৰ আকাশ-বতাহ মুখৰিত কৰা দেখা গৈছে। ৰংজালী গান্ধীবাৰীত আয়োজিত আঞ্চলিক ৰঙালী বিহু সন্মিলন আৰু ৰংজালী বৈচাগু আফাদৰ সোণালী জয়ন্তী বৰ্ষৰ আজি অন্তিম দিনটোত এটা বিশাল বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। এই শোভাযাত্ৰাত অসমীয়া জাতিয় কৃষ্টি-সংস্কৃতিৰ লগতে বড়ো, কোচ ৰাজবংশী, নেপালী আৰু আদিবাসীসকলৰ স্বকীয় কলা-সংস্কৃতি প্ৰদৰ্শন কৰা হয়।

ইফালে, নামনি অসমৰ উল্লেখযোগ্য লোক উৎসৱ ভঠেলী বা **দহৰ ফুৰুৱা**ৰো আজি পৰম্পৰাগত ৰীতি-নীতিৰে সামৰণি পৰে। এই লোক উৎসৱৰ বাবে এডাল ৫-৬ হাত দীঘল বাঁহ কাটি সুন্দৰকৈ পৰিষ্কাৰ কৰি গৰু বিহুৰ দিনাখন গোঁসাই দহৰ বাঁহ সজোৱা হয়। মূৰত পিতলৰ এটা চোলা পিন্ধাই গোঁসাই বাঁহ ডাল ৰঙীন কাপোৰেৰে মেৰিয়াই ওপৰত ৰুমাল, চোৰাৰ অথবা ফুলাম বিহুৱান গাঁঠি দি গোঁসাই বা অৰ্থাৎ দহৰ গোঁসাই বাঁহ প্ৰস্তুত কৰি লোৱা হয়। পিছত গাঁৱৰ চেমনীয়াসকলে দহৰ গোঁসাইক ঢোল, তাল, বৰকাঁহ, শংস আদি মাংগলিক বাদ্য বজাই ঘৰে ঘৰে নি পৰিয়ালৰ মংগল কামনা কৰি আশীৰ্বাদ দিয়া হয়।

ooooo

চিৰাং জিলাৰ ৰুণীখাটাত হিংসাত্মক কাৰ্য সংঘটিত কৰা আৰু ছজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। বৃহস্পতিবাৰে নিশা ১৫ গৰাকী অপৰাধীক আটক কৰাৰ পাছত চিৰাং আৰক্ষীয়ে আজি পুৱাৰ ভাগত পুনৰ ছজন লোকক গ্ৰেপ্তাৰ কৰে। ইয়াৰ লগে লগে বনাঞ্চলিক কাৰ্যালয়ত চলোৱা হিংসাত্মক কাৰ্যত জড়িত গ্ৰেপ্তাৰ হোৱা লোকৰ সংখ্যা ২১ লৈ বৃদ্ধি পালে। ধৃত লোকসকলক আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে। ইতিমধ্যে অঞ্চলটোৰ পৰিস্থিতি ক্ৰমান্বয়ে উন্নত হ'বলৈ ধৰিছে। অৱশ্যে অঞ্চলটোত এতিয়াও কটকটীয়া সুৰক্ষা ব্যৱস্থা বলৱৎ হৈ আছে। ৰুণীখাটাত আইন-শৃংখলা বৰ্তাই ৰখাৰ বাবে দ্ৰুত কাৰ্যবাহিনী দল নিয়োগ কৰা হৈছে আৰু চাৰিখন জিলাৰ পৰা অনা আৰক্ষী কৰ্মী নিয়োগ কৰা হৈছে। উৰা বাতৰি আৰু উচতনিমূলক বাৰ্তাৰ প্ৰসাৰ ৰোধ কৰাৰ বাবে চিৰাং আৰু কোকৰাঝাৰ জিলাত আজিও ম'বাইল ইণ্টাৰনেট সেৱা বন্ধ কৰি ৰখা হৈছে। ইয়াৰ ফলত ব্যৱসায়ৰ সৈতে জড়িত লগতে ইণ্টাৰনেট সেৱাৰ জৰিয়তে জীৱিকা চলোৱা লোকসকল সমস্যাৰ সন্মুখীন হোৱা পৰিলক্ষিত হৈছে।

ooooo

লখিমপুৰ জিলাৰ ঢকুৱাখনাৰ সাধনী ভৱন লক্ষ্মীনাৰায়ণ ক্ষেত্ৰ ৰাজহুৱা খেলপথাৰত কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে ৫০৩ সংখ্যক সতী সাধনী দিৱস আৰু ঢকুৱাখনা জিলা চুতীয়া জাতি সন্মিলনৰ ২২ সংখ্যক ত্ৰিবাৰ্ষিক অধিবেশন অনুষ্ঠিত হ'ব। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত, সদৌ চুতীয়া জাতি সন্মিলন আৰু ঢকুৱাখনা জিলা চুতীয়া জাতি সন্মিলনৰ সহযোগত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানৰ প্ৰথম দিনা কাইলৈ বালিগাওঁ যুৱ সমাজৰ উদ্যোগত সাধনী ভৱনৰ চৌহদ নিকাকৰণ আৰু পতাকা উত্তোলনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰা হ'ব। ২১ এপ্ৰিলৰ দিনা জুবিন গাৰ্গ সোঁৱৰণী সাংস্কৃতিক সন্ধিয়াৰে অনুষ্ঠানৰ সামৰণি পৰিব।

ooooo

ডিব্ৰুগড় জিলাৰ দুলিয়াজানত সদৌ অসম মহিলা সাংবাদিক সন্থাৰ ২৩ সংখ্যক প্ৰতিষ্ঠা দিৱস দিনযোৱা কাৰ্যসূচীৰে কালি উদযাপন কৰা হয়। দুলিয়াজান ক্লাব প্ৰেক্ষাগৃহত আয়োজিত প্ৰতিষ্ঠা দিৱসত মুখ্য অতিথি হিচাপে বিশিষ্ট সাংবাদিক, সাহিত্যিক আকাশীতৰা উপস্থিত থাকে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কলকাতাৰ ইডেন গাৰ্ডেনছত হোৱা প্ৰথম খেলখনত ৰাজস্থান ৰয়েলছ, কলকাতা নাইট ৰাইডাৰ্ছক জয়ৰ বাবে ১৫৬ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। টছত জিকি ৰাজস্থান ৰয়েলছে প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ১৫৫ ৰান কৰে।

চণ্ডিগড়ত সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত পাঞ্জাব কিংছ, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব।

কলকাতা নাইট ৰাইডাৰ্ছে এতিয়াও প্ৰথমটো বিজয়ৰ বাবে অপেক্ষা কৰি আছে আৰু মাত্ৰ ১ পইণ্টেৰে তালিকাৰ শেষৰ স্থানত আছে। আনহাতে ৰাজস্থান ৰয়েলছে ৫ খন খেলৰ ৪ খনত জয়লাভ কৰি ৮ পইণ্ট লাভ কৰিছে। পাঞ্জাব কিংছ বৰ্তমান ৫ খন খেলৰ ৪ খনত জয়লাভ কৰি মুঠ ৯ পইণ্ট লাভ কৰি তালিকাৰ শীৰ্ষ স্থানত আছে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ৪ পইণ্টেৰে অষ্ঠম স্থান দখল কৰি আছে।

ooooo

সমাপ্ত